# মাতৃ-পিতৃ বন্দনা আঁচনিৰ অধীনত ৰাজ্যিক কৰ্মচাৰীলৈ নৈমিত্তিক ছুটী

**দিছপুৰ ৯ ডিচেম্বৰঃ** অসম চৰকাৰে মাতৃ-পিতৃ বন্দনা আঁচনিৰ অধীনত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে অহা ২০২৩ বৰ্ষৰ ৯ আৰু ১০ ফেব্ৰুৱাৰীত বিশেষ নৈমিত্তিক ছুটী ঘোষণা কৰিছে। কৰ্মচাৰীসকলে ১১ আৰু ১২ ফেব্ৰুৱাৰীত থকা মাহৰ দ্বিতীয় শনিবাৰ আৰু দেওবৰীয়া বন্ধৰ লগত মিলাই এই ছুটী ভোগ কৰিব পাৰিব। ইয়াৰ বাবে সকলো ৰাজ্যিক কৰ্মচাৰীয়ে https://matripitrivandana.assam.gov.in প'ৰ্টেল যোগে আবেদন কৰিব পাৰিব। এই বিশেষ ছুটী সম্পৰ্কীয় নীতি-নিৰ্দেশনাও উল্লিখিত প'ৰ্টেলতে উপলব্ধ হ'ব।

উল্লেখযোগ্য যে ৰাজ্যিক কৰ্মচাৰীসকলে নিজৰ পিতৃ-মাতৃৰ সান্নিধ্যত একান্তভাৱে কিছু সময় অতিবাহিত কৰাৰ সুবিধাৰ্থে অসম চৰকাৰে এই বিশেষ ছুটী মঞ্জুৰ কৰিছে।

*এম আৰ ডি/পি কে ডি/৯-১২-২০২২*